355

[illegible] মুদ্রিত।

ৰেণু।

শ্ৰীসিংহদত্ত দেৱ অধিকাৰী প্ৰণীত

আৰু প্ৰকাশিত।

গুৱাকাটা।

দ্বিতীয় তাঙৰণ।

কলিকতা.

৬নং কলেজ স্কোৱাৰ, সাম্য-প্ৰেছত

শ্ৰীউপেন্দ্ৰনাথ দাস দ্বাৰা মুদ্ৰিত।

ফাগুণ, ১৩২৮

বেচ ।৶০ অনা

উপহার।

সূচী

বিষয়		পৃষ্ঠা
নিবেদন		
উচ্ছগা		৫
তুমি		৬
গৌতম		৮
জয়মতী		৯
বাসন্তী পূজা		১১
সন্ধিয়া		১৩
জীবন		১৫
জীবন-সঙ্গীত		১৭
উদগনি		১৯
শেষ সময়ত		২১
ভণ্ড সাধু		২২
সৌবর্ণ		২৩
মিলন	...	২৫

বিষয়	পিঠি
মেঘৰ প্ৰতি বিৰহী যক্ষ ..	২৭
বিৰহত	৩০
মিলনত...	৩২
প্ৰিয়তমলৈ	৩৪
বিদায় কালত	৩৫
পতঙ্গী	৩৬
মালতী...	৩৯
ঠুমুকা	৪৭

ৰেণু ।

নিবেদন ।

উদ্দেশ্য পাহৰি বলোঁ জীৱনৰ,
হলোঁ প্ৰভু, অধোগামী ;
শকতি প্ৰাণৰ দিয়াহি পুনৰ,
হে করুণাময় স্বামী ।

কুটিলতা কপটতা ঈৰ্ষাণল
হৈছে আহি লগৰীয়া ;
বাঢে কেনেকই গা মনৰ বল ?
হল আৰু নাইকিয়া ।

মাগিছোঁ কাতৰে করুণা তোমাৰ,
হে প্ৰভু, দিয়া উপায় ;
তুমিয়েই মাথোঁ ঠাই ভৱথাৰ,
নহলে নিস্তাৰ নাই ।

(২)

অতল বিশ্বাস প্ৰভু,
কেতিয়া তোমাত হব মোৰ ?
কেতিয়া ভাবিম প্ৰভু,
সম্পদ বিপদমানে ঘোৰ ?

কেতিয়ানো জাপ দিব
পাৰিম অতল সাগৰত,
তোমাৰ চৰণ চিন্তি
শঙ্কা লেশ নাৰাখি মনত ?

শত্ৰুক আপোন বুলি
সাৱটিনো ধৰিম কেতিয়া ?
দেখিছোঁ বেগাই আহে
প্ৰভু, মোৰ জীৱন-সন্ধিয়া।

উছর্গা।

কি দিম তোমাক মই ?
কিনো আছে মোৰ এনে উপহাৰ
যি দিলে তোমাক হয় ?
যি বুলিছোঁ মোৰ সকলো তোমাৰ,
তুমিহে গৰাকী তাৰ,
মায়া মোহ লই বিচাৰিছোঁ ক'ত
কিনো আছে আপোনাৰ ;
আন্ধাৰ ই মোৰ হিয়া,
হে প্ৰভু, তোমাৰ চৰণ লগাই
আলোকিত কৰি দিয়া।

ৰতন-মন্দিৰ তাৰোঁ সাজোঁ বুলি,
কিন্তু বৈভৱহীন,
মূঢ়, বুজিব নোৱাৰোঁ কি জানি
তাকো তুমি কৰা ঘিন।
তুমিতো নোহোৱা নৰ,
তোষামোদকাৰী দেখিলে তুমি যে
লভিবা সন্তোষ বৰ।
মই প্ৰভু, অতি দীন ;
উছৰ্গিলোঁ মোৰ মন প্ৰাণকেই,
হ'ক তোমাতেই লীন।

তুমি।

নীল আকাশত চন্দ্ৰমা তুমি,
মেঘত বিজুলী হাঁহি;
কাঁইটে আবৰা লতাত তুমি
ধুনীয়া কুসুম পাহি।

গৰলত তুমি অমৃত কণা,
গ্ৰীষ্মত মলয়ানিল;
শিলৰ মাজত নিজৰা তুমি,
মৰুৰ মাজত বিল।

তুমি বিরহ অন্তে আনন্দ-অশ্রু,
দুখের অন্তে সুখ;
ব্যাধি যন্ত্রণার অন্তে তুমি
মত হাঁসি ভরা মুখ।

হে সুন্দর, চিরবাঞ্ছিত তুমি,
তোমার পরশ পাই
ধন্য মানিছে জীবনে, আছিছে
সততে লাঞ্ছনা খাই।

গৌতম।

জরা ব্যাধি মৃত্যু দেখি হে গৌতম, তুমি
দুখময় সংসার ভাবিলা ;
রাজ্য ধন পুত্র ভার্য্যা বিলাস বাসনা
অনায়াসে সকলো এড়িলা।

জীবের মুক্তির পথ উলিয়াবলই
করিলা প্রতিজ্ঞা তুমি ঘোর,
"কর্ত্তব্য সাধন যদি নহয় নিশ্চয়
হব এই জীবনের ওর।"

প্ৰকৃতিৰ ৰম্য ঠাই নিজন কানন
কৰি ললা তোমাৰ আশ্ৰয় ;
ৰদ ৰৰষুণ শীতে তোমাৰ আগত
কৰিলে স্বীকাৰ পৰাজয়।

সাধণাত সিদ্ধি পালা, সফল কৰিলা,
হে গৌতম, মানৱ জীৱন ;
দেশ বিদেশৰ পৰা কোটি নৰ নাৰী
বন্দিলেহি তোমাৰ চৰণ।

জীৱৰ মুক্তিৰ হেতু বিমল উপায়
কৰিলা প্ৰচাৰ জগতত ;
অক্ষয় কীৰ্ত্তি-স্তম্ভ, হে দেৱ তোমাৰ,
চিৰদিন ৰল মৰতত।

জয়মতী।

জগতক দেখুৱাব সতীৰ মহিমা,
জয়মতী, জনম তোমাৰ ;
তুমি ৰাখি থোৱা কীৰ্ত্তি স্তম্ভৰ লগত
মানি লব সময়েও হাৰ।

কোৰত ছিঙিলে পিঠি, লৰা অত্যাচাৰী,
শিয়ঁৰে গা শুনিলেও হায় !
তথাপি নিদিলা তুমি স্বামীৰ সন্ধান,
সলা তুমি সকলো বিলাই।

হাততেই সাৰিবৰ উপায় লভিও
নিজে তুমি আঁতৰাই দিলা ;
স্বামীৰ কাৰণে সতি, অকাতৰে তুমি
জীৱনৰ মায়াকে এৰিলা।

বাসন্তী পুৰা ।

নিৰ্ম্মল নীল গগন,
কুলি কুউ কুউ গায় ;
স্নিগ্ধ মধু সমীৰণ
ধীৰে ধীৰে বই যায় ।

কুলু কুলু সুৰ তুলি
চলিছে ৰূপহী নই,
সিন্ধুত মিলিব বুলি
বুকত আশাটি লই ।

পৰি হেম-ৰবি আভা
হিমকণা-উপৰত,
দিছে মনোহৰ শোভা
শ্যামল তৃণদলত।

ৰূপহী কুসুম কলি
ৰঙতে মেলিছে পাহি
পৰিমল লোভা অলি
সাৰটি ধৰিছে আহি

সন্ধিয়া ।

—*—

সন্ধিয়াৰ ৰঙা বেলি ধীৰে ধীৰে গই
পচিমাকাশত ডুবি গল ;
পেপাটি মুখত লই গৰখীয়া লৰা
গৰু স'তে ঘৰমুৱা হল ।

ফুলোঁ ফুলোঁ গোলাপৰ ধুনীয়া কলিটি
মলয়াৰ ধাৰ ছাটি পাই
ৰজতে বিভোল দেখি, নাচিব ধৰিলে
নিজৰ জেউতি নিজে চাই ।

মৃণাল ভুঞ্জিব এৰি ৰাজহাঁহ জাক
দিহা-দিহি গল এৰি বিল ;
ফিৰিলে ঘাটৰ পৰা বোৱাৰী জীয়ৰী,
সন্ধিয়াৰ চাকিটি জ্বলিল ।

হাটকৰা বাটকৰা চাপিলেহি ঘৰ,
সোৱালীৰ বলিল সুবাস ;
পূব আকাশৰ পৰা কলা ঢাকনীয়ে
দেখুৱালে নিশাৰ আভাস ।

লুইতৰ পাৰে পাৰে নাৱৰীয়াবোৰে
ধীৰে ধীৰে বান্ধিলেহি নাও ;
গাওঁৰ দৌলৰ পৰা দবা শঙ্খধ্বনি
বিয়পিলে সন্ধিয়াৰ বাও ।

জীৱন।

চপল বিজুলী সম
ই জীবন যৌবন আমাৰ,
খন্তেকৰ হেতু মাথোঁ
আমাৰ ই দৰ্প অহঙ্কাৰ।

ক'তা আজি দুৰ্য্যোধন?
ক'তা স্বৰ্ণ লঙ্কাৰ ৰাৱন?
কোটা নৰনাৰী যোনে
তৃণ সম কৰিলে শাসন।

নাট্যমঞ্চ ই সংসাৰ,
আমি মাথোঁ অভিনেতা তাৰ ;
সাৱধানে অভিনয়
কৰোঁ আহা অংশ গিটি যাব ।

শুকালেও গোলাপৰ
স্মৃতি থাকে বাস মধুময় ;
আমাৰো অন্তিম যেন
ঠিক তেনা তাৰে দৰে হয় ।

বেণু

জীবন-সঙ্গীত ।

(Armstrong)

কোমল গোলাপ-পাতি নাহি ক'রো এনে,
চুমা খালে নাগাই শুকায় ,
ডুবি গলে সুকুমার হেডুলী গৌরব
কুবঁলাত সতত্তে লুকাই ।

নাহি গানে গাও, যার আনন্দ স্বরব
তন্মণীয়াটিত শেষ নাই ,
প্রেম ও সংস্তে আছে নিষ্ফুট মাত্র
প্রতিধ্বনি, বিদায়, বিদায় ।

নাচনি সুনীল সিন্ধু নাই এনে, য'ত
চিৰকাল শোৱে ধুমুহাই ;
প্ৰেমৰে উপাসনা কৰি যদিওবা আছোঁ,
মৰণত কান্দোন সদায়।

বৰষ গলেই বৰ্ষ, মাধৱী দিনবো
পাছে পাছে চাঁটি আহি পাই ,
জীৱনৰ যুগমীয়া কিবানো বুলিনা ?
--চকুলোৰ বিনে একো নাই।

উদগনি।

—*—

জয় পৰাজয় লই কিয় বন্ধু,
চিন্তাযুক্ত মন ?
আছে লগা সংসাৰত সকলোৰে
উত্থান পতন।

উঠে আৰু পৰে তেও শিশুটিয়ে
নামানেতো হাৰ ;
নতুন উলাহে উঠা কাচি পাৰি,
শক্তি আছে গাৰ।

যতনত সিদ্ধিলাভ নতন, তোমার
নাই কোনো দোষ,
[illegible]
[illegible] সন্তোষ।

নহে [illegible] হীন, [illegible] জয়
[illegible] পরাজয়,
[illegible] আনন্দে,
[illegible] ভয় ॥

বেণু

শেষ সময়ত।

—*—

চাপাহি ওচৰ হেৰা, ধীৰে ধীৰে অতি ধীৰে ধীৰে,
কোনো শবদেই যেন নপশে কাণত আহি তাৰ ;
কি বেচিলে কি কিনিলে অতদিনে সংসাৰ-হাটত
শেষ মুহূৰ্ত্তত আজি লইছে সি তাৰেই বিচাৰ।
দেখোঁ মুখ খনি তাৰ মাজে মাজে ঢাকেহি ডাৱৰে,
মাজে মাজে দেখা পাওঁ আনন্দৰ জেউতি আৱৰা ;
সিহে মোথোঁ বুজি পাই সুখৰ কি বেজাৰৰ দিন,
এৰিব সি আজি বন্ধু, বিচিত্ৰতা ময় এই ধৰা।
সৰল মনেৰে আজি দিয়া আশীৰ্ব্বাদ, যেন হয়
শান্তিৰ কোলাত বন্ধু, ঠাই তাৰ চিৰকাললই।

ভণ্ড সাধু।

— ২ —

[illegible] ভ্রাম [illegible]
[illegible] সবল,
সেই [illegible] [illegible]
[illegible] খোলা চলাইছে।

মস্তুর [illegible], [illegible] মাক [illegible]
[illegible] তুমি মস্ত মহাজন
নিশ্চয় [illegible] মাক
দেখি [illegible] নয়ন

[illegible] চন্দনের [illegible] কিনে [illegible]
[illegible],
[illegible] চিনেছে তোমাকে [illegible]
নিজেকে [illegible] তুমি থাকিচ [illegible]।

সোৱৰ্ণ।

*—

[illegible] [illegible] [illegible] [illegible],

[illegible] [illegible] [illegible] [illegible]

[illegible] [illegible] [illegible] মানুহ [illegible]

[illegible] [illegible] [illegible] [illegible]

[illegible] [illegible] [illegible] [illegible] [illegible],

[illegible] [illegible] [illegible] [illegible] [illegible]

বাটৰ [illegible] এই বটি জুপি মাথোঁ।

[illegible] [illegible]।

কতগুলো গংন বলি পুলিটিক্স করলে,
বটালে কগুলো আদরও.
বটালে আত্মযত্ন করতে পাগলে
কত নিশা হয়াবে চলত

খণ্ডের ছিরাত হোবা তেবা নাটকের
হয়াছেহ তুমিও এবার,
এটোপা চকুলো দিয়া তার ক[illegible]. হ হ
তুদিনে [illegible] র . সংসার।

মিলন।

(Shelley)

ধৰিছে নিজৰা শত তটিনীৰ সংগ,
তটিনী মিলিছে সাগৰেত,
আকাশী মলয়াৰে চিৰকালেই
মিলে কিবা মধু আবেগেত

সংসাৰত নাই কোনো [illegible] একাকী,
কিবা এটি বিধানে স্বৰ্গীয
মিলাইছে হৃদিসিটি, নিমিলিম মই
তোমাৰেই স'তে তেনে কিয় ?

পর্ব্বতে চ মছে চোরা ওখ আকাশক,
সাবটি ছ চৌবে ঢউ শাচ
নাপায় বানেও ভাল [illegible]ল পাহিটিক,
[illegible]টিক যটিযে ঘিনাই।

আলিঙ্গ ছ [illegible] খবাক বোলব কিবণে
[illegible] না [illegible] চু মাজ সাগব[illegible],
ইবাব [illegible] [illegible] কি মেল, [illegible]
[illegible] নাশাবাহে [illegible]

মেঘৰ প্ৰতি বিৰহী যক্ষ।

শুভ সম্ভাষণ মোৰ নৱ জলধৰ!
প্ৰিয়া-বিৰহ কাতৰ কুবেৰানুচৰ
যক্ষ মই। হায় কিনো দুঃসহ বেদনা!
বন্ধু তুমি, সাধু তুমি, তোমাৰ কৰুণা
মাগিছোঁহে সকাতৰে। বিৰহিণী প্ৰিয়া
মোৰ আছে অলকাত; যদি আনি দিয়া
কুশল বাৰতা? হায়! প্ৰিয়া অশ্ৰুজল—
পূৰ্ণ কিবা অলকাৰ মণি হৰ্ম্ম্যতল!
কৃষ্ণপক্ষ জোন দৰে প্ৰিয়া কিবা মোৰ
জহিব লাগিছে ক্ৰমে! ই বিৰহ ঘোৰ
কিৰূপে সহিব হায়! খন্তেক আঁতৰে
ভূলুণ্ঠিতা প্ৰিয়া মোৰ বিৰহ কাতৰে;

সুদীর্ঘ বরষ এক এই অদর্শন
কিমতে সহিব হায় ! তুমি মহাজন
পরহিত-ব্রতধারী ; তব অনুগ্রহ
মগিচোঁতে সকাতরে ; যাতনা দুঃসহ।
যক্ষ-রাজ গৃহের উত্তর কালে চালা
হে জলদ, মমালয় ; দেখা তাম পাবা
নিলগর পশ্চা হেরা অতি বিত্তোপন
মনমোহা ইন্দ্র-ধনু সদৃশ তোরণ
ফুলান্বিত কর-লতা পল্লব ভরত
তরুণ মন্দার জুপি চারু অরনত
বহুত সোরে তাক বঢ়ালে প্রিয়াই,
সেয়ে তাক পোষা সুত যেন ভাল পায় ;
তাতে তুমি হে জলদ, দেখা পাবা আরু
হেম কমলেরে পূর্ণ সরোবর চারু।
স্ফটিক উজ্জ্বল তার পানীত সদায়
কেলি করে হংসবোরে ; দেখিবা নাযায়

কেতিয়াও হে জলদ, ভয়ত সিতং
উৰি কোনো ফালে দেখি তোমাক কাষত।
এপাৰত আছে তাৰ দেখিবা শিখৰ
ইন্দ্রনীল মণিৰে ৰচিত মনোহৰ।
চাৰিও কাষত তাৰে স্বৰ্ণ-কদলী
মেঘৰ মাজত যেন শোভিছে বিজুলী
অশোক বকুল দুই জুপি তাতে কৰুবকে বেৰা
মাধবী-মণ্ডপ ওচৰত,
মাজত সোণৰ দাড়, পৰে মণি ওপৰত তাৰ
আনন্দত সন্ধিয়া পৰত।
প্ৰিয়াই হাতৰ তালে তালে নচুৱালে উঠি নাচি
ৰুণু ৰুণুকৈ তালাজুৰি,
স্মৰিলে সিসব কথা প্ৰাণত দাৰুণ বেথা পাওঁ,
হায়! কেতিয়া বছৰ আহে যাব।

বিৰহত।

—*—

সখি! অন্ত বসন্ত, ক'তা সি নিঠুৰ
নাহিলেতো হেৰা আৰু!
দেখিম ইবাৰ কোনে হেৰা মোক
কলঙ্কিণী কয় বাৰু!

আৰু কি এৰাম লাজ মান সখি?
এৰি দিম গৃহকাম?
আৰু নেকি ছি ছি, ঘৰ এৰি হেৰা,
লম কলঙ্কিণী নাম?

ঘাটলই গই   পাণী অনা মাথোঁ।
জুলহে, নহয় কাজ ;
সখি, টোবা তুমি থাকা   আঙুলে পৰাই
দা'লে সোণাও থাকা।

আগৰ দলেই   কদম-তলত
যেতিয়া লোকিয়া আছি,
জানাছ কবিন   চিত উত্ৰাৱল
থাক কি লজাই বাজা ?

মিলনত

বাঁহীৰ মাতটি শুনিয়ে আছিলোঁ
লাজ মান পৰিহৰি,
সেয়েনো কি তুমি হে নটবৰ শ্যাম,
গ'লা এলে দবে এৰি ?

শুকাল এতলে চাৰু মালতীৰ,
মিছাতে মালা গাঁথিলোঁ। ;
নাভাবি গুণগুণি আগতে তোমাক
মিছাতে হিয়া সঁপিলো॥

গুচি যোৱা তুমি, নোখোজোঁ তোমাৰ
ই কপট ভাল পোৱা ;
নাহিবা ঘুনাই মিছাতে হে শ্যাম,
যোৱা তুমি গুচি যোৱা।

পাণী নিৰলই আহিছো, নহয়
বাজীৰৰ শ্যাম, শুনা ,
কি কৰিব লাগে হে নিঠুৰ, ঠিক
কৰিছো মনতে শুনি।

জানোঁ ভালকৈ হে নিঠুৰ শ্যাম,
শিলেৰে হিয়া বান্ধিছা ;
কোনেনো মাতিছে তোমাক ? মিছাতে
কিয় আহি দেখা দিছা ?

প্ৰিয়তমলৈ ।

তুমি ফুৰা ঘূৰি মোক দেখা পাবলই,
মই থাকোঁ আঁতৰে আঁতৰে
চাইছোঁ তোমাক হলে লুকাই লুকাই
কতবাৰ হেৰা, একেথৰে ।

নিতউ পুৱাতে মালা গাথোঁ মালতীৰ
তোমালৈয়ে, পৰা হলে নাই
দিবলই এধাৰিকে আজিলই, যায়
মাথোঁ হায় ! লেৰেলি শুকাই ।

লাজে ধৰে আগুচি তোমাক পালে লগ,
আঁতৰতে হেৰা, মই ৰম ;
চকুতে তাহানি দেখোঁ বুজিলা সকলো,
আৰুনো কি কথা বাকু কম ?

বিদায় কালত।

—*—

বিদায় কালত মনত পৰে এতিয়াও মোৰ,
কথা তোমাৰ ক্ৰমে ভাঙি যোৱা ;
আচম্বিতে ওপঙি তোমাৰ চকুলো দুধাৰি
গোলাপী দুই গালেৰে সোঁত লোৱা।
কেনেবাকৈ চাইছিলা মোৰ চকুৰ ফালে তুমি
এবাৰ মাথোন চকু দুটি তুলি ;
বেথা-কাতৰ দৃষ্টি তোমাৰ বিজুলি চমকে
কৈ গ'ল মোক হিয়াৰ কথা খুলি।
কোমল দুটি ওঁঠে তোমাৰ কম্পা গহন সনা
বিদায় কালত থলে যিটি চিন,
অদৃশ্য সি আজি চকুৰ, ভাবিছো মই হলে
আজিও সি নাই যোৱা হৈ লীন।

পদুমী।

—•—

(Lyte)

আগিতে উজ্জ্বল নম্ৰ ভাতি,

দেখিছিলোঁ শৈশৱৰ প্ৰাতে;

হিমকণা যেনে হীৰ,

কিম্বা নৱ প্ৰথম প্ৰভাতে।

ওৰে দিন খেলাৰ সঙ্গী

'দোপাটি' 'তেৰাবেলা' ফুল;

প্ৰফুল্ল, সৰ-তাত তাই

ঠিক সিইতৰে সমতুল।

(২)

ধুনীয়া ওঠৰ বছৰীয়া,

দেখিছিলোঁ পুনৰায় মই;

নতুন উজ্জ্বল, পৰিপাটি

অন্তৰে বাহিৰে তাই লই।

কথাখিনি তেনেয়ে সঙ্গীত,
  ৰূপ যেন জোনৰ পোহৰ ;
বহুতৰ হিংসাৰ কাৰণ,
  গৌৰৱ ম'নোন এজনৰ।

(৩)

গাভৰুৰ ধ পাশৰে চাওঁতে
  বহুতো বছৰ ঘূৰি গল ;
কলিটি কুসুম হল গঢ়,
  কুসুমটি হলগৈ ফল
মহীয়সী জননী এজনী,
  শিশু এটি জনমালে তাই ;
ভাবিলোঁ ধুনীয়া তাই তেনে
  কেতিয়াও আগে হোৱা নাই।

(৪)

আকৌ এবাৰ দেখিছিলোঁ,
  যিদিনা তাইৰ মৃত্যু হল .

আবৰিলে স্বৰ্গীয় পোহৰে,
ভগবান ওচৰত বল।
অনাতন নাই দুখ দিয়ে,
ভয় নাই ত্ৰাস দিবলই ;
তেতিয়াহে বুজি পালোঁ, তাই
ৰূপৱতী সকলোতেকৈ

মালতী।

বতন পুৰায়া   বৰুৰা তুষৰ,
মন্ত্ৰাধৰ হলিৰাম ;
ধনে যশে মানে   অঞ্চল খনতে
তুষৰৰে বৰ নাম।

মহাৰ আছিল   একেটি জোৱালী
মালতী আইটি বুলি
হলিৰ আশাৰ   গছত আছিল
প্ৰফুল্ল বোপাটি ফুলি।

প্ৰফুল্ল মালতী একেটি আত্মা,
ৰা দুটিৰ মাথোঁ লৰ ;
সৰুৰে পৰাই উমাল-জামলি
একেলগে হল বৰ।

দুই বকৰাণী উলিয়া'লে মেল,
"দু'টি দুজনাৰে ধন ;
উপযুক্ত হল সময় এতিয়া
পতা যক বিয়াখন।"

এতিয়া নহয় সি মালতী আৰু
ফুল ফুল বুলি মতা ;
এতিয়া নহয় সি প্ৰফুল্ল আৰু
ধূলিৰে খেমালি পতা।

এতিয়া মালতী 'ফু'টি বুলিলে
'ল' আৰু ওলাই নাহে
চকু দুটি যায় তল ফাললই,
মুখ ৰঙা পৰি আহে।

বিয়ালই আৰু এটি মাহ মাথোঁ,
সাজ পাৰ ঠিক ঠাক,
দুই বৰুৱাৰ লাগিল কন্দল,
বিধিৰ বিষম পাক

গাৱঁতে এদিন দুজন মানুহে
কৰিছিল মৰামৰি,
সমজুৱা বাট নাম ঘৰলই
দুজনকে আনি ধৰি।

পাতিছিলে মেল, হলিয়ে দিছিলে
দোষ যিজনৰ গাত,
দোষী সি নহয় ভাবি ওপৰতে
দিছিলে মহীয়ে মাত

নিজ নিজ মত সমৰ্থন লই
তৰ্ক উঠিছিল ধৰ ;
কালৰ কুটিল গতিযে এখনি
ভাঙিলে নতুন ঘৰ।

ডেকা ধনাৰাম মৰোৱা গাওঁৰ
পটৱা ঘৰৰ লৰা ;
প্ৰফুল্লক ভাং পাতিলে মহীয়ে
তাকে মালতীৰ দৰা।

পুখুৰী পাৰত অকলে প্ৰফুল্ল
নাচিছিল বৰশী বাই,
হঠাতে মালতী ওলাল এদিন,
লাজৰ ভাবটি নাই।

চকুত আছিল চকুলো দোটোপা
নৱ কি নৱৰকত ;
নাচিছিলে ধীৰ মলয় সমীৰ
ক'লা চুলিকোছা লই।

'এয়ে শেষ'—আৰু স্ফুটিল মাত,
ছিগিল বীণৰ তাঁৰ,
হৰিণীৰ যেন চকুজুৰি দিলে
দুধাৰি মুকুতা-হাৰ।

"মালতী, মালতী, চেনেহৰ ধন,
কি বেশ কৰিলা আজি ?
অভাগাৰ হিয়া— আকাশত আৰু
নৰনা কি তুমি বাজি ?

খিয়ানে গিয়ানে সাপচোঁ তোমাক
হৃ মোৰ সবল হিয়া,
সেয়ে নেকি তেনা, তুমি আজি মোক
এই প্ৰতিফল দিয়া ?

কি কম তোমাক ? বাঞ্ছা যদি সেয়ে,
কৰা সকলোৰে ওৰ ;
কি বুজাম আৰু ? কি বুজিবা তুমি
হিয়াৰ যাতনা মোৰ ?"

ঠমকি ঠমকি ফুৰিলে মালতী,
প্ৰফুল্ল ভাৱেই বলে ;
সন্ধিয়াৰ বেলি পচিমাকাশত
ধীৰে ধীৰে বুৰি গ'ল।

নাহিবি দুনাই সেদিনাৰ নিশা,
আৰু ভয়লগা হৈ ,
নিঠুৰ হাতেৰে গলি দুটিকেই
অকালতে ছিঙি লৈ ।

গজিছিল এটি জুপি পাৰিজাত,
ধৰিছিল দুটি কলি
কি কাৰণে তোৰ ? কিয় তই হেৰ
তাকে সব নোৱাৰিলি ?

মালতী, মালতী, সংসাৰ নহয়
তোমাৰ আচল ঠাই.
ফুলৰ লগত বোৰাঁ স্বৰগত,
কাৰো হাত তাত নাই।

টুনুকা।

গাৰোৰ জীয়ৰী গাভৰু টুনুকা,
মাকৰ চকুৰ মণি
দেখনে শুৱনী গাৰো পাহাৰত
নাছিল তেনে তুলনা।

খেলাত ধেমালি ঘৰুৱা কামত
তাৰ মানে বয়সীয়া,
স্বভাৱ চৰিত্ৰে তেনে নিৰমল
টান দ্বিতীয়টি পোৱা।

হেৰালে আজলা   সকতে বাপেক,
কৰবাযেক, দুটি ভাই,
মাকটী নহ'ল   সংসাৰত আৰু
আপোন বুলিব নাই।

আধাফুটা হত   কেথ্যাপ আছিল
নিলগে নিলগে এটি,
চুবুৰিতে থকা   ভুঙ্গাং গাবোৰ
আদকৰা ডেকা লেটি।

লোণ ডালি তেল   শুকান মঙ্গত
কেতিয়াবা লগা হলে,
কচু জলকায়া   বোজা বান্ধি লত
হাটলৈ সলাব গলে।

ঠুনুকাৰ লগ নেৰিছিলে লেটি
ভাবি কাণো দুখ পায়
বোজা বেচি হ'লে আজলী ঠুনুকা,
আৰু বোলে পাৰি নাই।

দুপুৰিবা মান মাছৰ লগত
বাগিবেক পাৰ খোৱা,
কৰকৰা ভাত যি অলপ পায়
কাপোৰত বান্ধি লোৱা।

লাগিলেই ভোক, গছৰ তলত
উলিয়াই দুযো লই
খাইছিল বাহ মনৰ সুখত
কত কথা কই কই।—

"ঠুনুকী, ঠুনুকী,   অতি আদৰৰ
অতি হেঁপাহৰ ধন,
তুমি অবিহনে   প্ৰাণৰ ঠুনুকা,
লোকালয় ভাবোঁ বন।

ঠুনুকী, তোমাক   নেদেখিলে মই
দিনকে আঁন্ধাৰ দেখোঁ,
একেৰি আঁতৰি   থাকিলে ঠুনুকা,
যুগ যেন পল লেখোঁ।

কবানে ঠুনুকা,   কবানে এবাৰ,
আশাৰ প্ৰতিমা মোৰ,
কেতিয়াবা হেৰা,   পাননে বাৰু
মোৰ ই চিন্তাৰ ভৰ?"

কত কথা এনে   স্থধিছে লেটিয়ে,
ঠুনুকী উত্তৰ হীণা,
কিয়বা ছিঙিব   খোজে তাঁৰ হায় ?
বাজিব খুজিলে বীণা !

মুকুতাৰ দৰে   মাজতে ওলোৱা
দুটোপা চকুৰ পানী,
কি বুজাব দুটি   দুমূনীয়া লই
হিয়াৰ যাতনা আনি !

এনেতে এদিন   মাকে ঠুনুকীক,
পুৱাই থাকোতে জুই,
কলে "আই ঠুনু,   চাপিলেহি মোৰ
ওচৰ পৰিব শুই ।

নোশোৱাতে মই যদি আই তোৰ
দেখিলোঁহেতেন জোৰ,
মনৰ সুখত শেষ কাল আই,
কটালোঁহেঁতেন মোৰ।"

কোঁচ-মোচ খাই ঠেসুৰে উত্তৰ
লগালে, "যদিহে আই
বেজাৰ নোপাবা কওঁ কথা এটি,
দোষ হলে মোত নাই।

কৰকে নোৱাৰোঁ, লেটিক দেখিলে
কিয় আই মোৰ মন,
অতি আনন্দত অতি উলাহত
নাচি উঠে ঘনে ঘন

ওচৰতে পালে   লেটিক, পাহৰোঁ
সকলো যন্ত্ৰণা দুখ,
দিয়া আই, মোক   দিয়া আশীৰ্ব্বাদ
লভোঁ যেন সঙ্গ সুখ।"

জায়েকৰ কথা   শুনি মাকে ক'লে
হুমুনিয়া কাঢ়ি এটি,
"মোৰে মূৰ খাব   এৰ দুখ আছে,
দুখীয়াৰ লৰা লেটি।

শুন আৰু দুখ   এদিনৰ কথা,
• বুঢ়াই মাৰিলে ৰবা,
নাজানো ভুকাতে   কেতিয়াবা হলো
ক'ৰ পাইছিলে খোৱা।

মিছা কথা কই মিছা মেল পাতি
ফাকি দি বৰাটো নিলে,
ৰং ধেমালিৰে হাঁহি খালে আই,
এটুকুৰা যদি দিলে !

কৈছিলে তেতিয়া বুঢ়াই আমাৰ
মনৰ দুখত আই,
কেতিয়াবা তেওঁ পাব এটি দিন
প্ৰতিশোধ লব ন্যায়।

মনৰ [illegible] মনতে থাকিল,
[illegible] গল আই মৰি,
[illegible] মোৰ [illegible] আদৰৰ
নতুনে [illegible] কামনা ?

মোৰে মুৰ খাব   এৰ উটি ভাব,
কথা ৰাখ ভই আহ,
চহকা ঘৰৰ   কত ছেকা লৰা
আছে তোৰ কালে চাই।"

মনৰ যাতনা   মনতে লুকাই
নামাতি ঠুন্নকি বল,
দুটি মাছ পাব   নঙঁতে হাব।
ম'নো এৰি গুচি গ'ল

আজিও চহকা [illegible]
[illegible]
কি জানো [illegible]
[illegible]

চেনেছের চকু   পরে কার ফালে
আছিল আটায়ে ভাবি,
এ।নতে লগালে   চুমুকায়ে মাত,
“এই যে দেখছ ছবি,

তাকেই কারম   পূজা করা মই,
সেযে শ্যামা তব মোর,
পারো যদি কেবা   পক্ক পবি ে ম
নয়না কল্লুরে'ণ।

তারির চরাযে   তিয়া খুলি গালে
অমিয়া সুরত গীত,
জ্বলিলে পরাণ   কান পাতি হেব,
কবি লম চরমিত।

তোলা মুখ লেটা, চোৱা এটিবাৰ,
ঠুমুকা অভাগী অতি ,
পাহৰা সকলো অতীতৰ কথা
ফিৰাবা তোমাৰ মতি ।

থাকা তুমি সুখে বাঞ্ছা এই মোৰ,
আৰু কোনো আশা নাই ,
আইৰ আদেশ পেলাও কিমতে
নিঠৰ বিধাতা তায় ?

কপালত যত যটো লেখা আছে
খণ্ডাব কোনেবা পাৰে ?
মদ'ৰ সোঁতক থমাব খুজিলে
ভীম পৰাক্ৰমো হাৰে ।

নাপাবা বেজাৰ　　তুমি লেটী, মোৰ
চিৰ চেনেহৰ ধন ;
তুমি অবিহনে　　ভাবানেকি মোৰ
শান্তিত থাকিব মন ?

গাবো পাহাৰত　　বিচাৰিলে পাবা
গাভৰু কত ধুনীয়া,
শেষ অনুৰোধ　　লেটী মোৰ এই,
তাৰে এটী বাছি লোৱা ।”

কথাও ঢুকাল　　বিজুলীৰ বেগে
টুমুও অদৃশ্য হল,
গাভৰু সমাজে　　গাবলই মাথোঁ
গীত এটী পৰি ৰল ।

তাহানিৰ দৰে   গাৰো পাহাৰত
আজিও মʼবাই নাচে,
তাহানিৰ দৰে   গছ-গছনিক
বসন্তে বৰণ যাচে ;

তাহানিৰ দৰে   ইফালে সিফালে
ফুলে বননিৰ ফুল,
তাহানিৰ দৰে   আন্ধাৰ পোহৰ
তৰাৰ শুৱনী থুল ,

তাহানিৰ দৰে   ডেকা গাভৰুৱে
আজিও হাটলৈ যায়,
তাহানিৰ দৰে   জোক লাগিলেই
কৰ্কৰা ভাতকে খায় ;

তাহানিৰ দৰে বাঘ বৰা পহু
ইফালে সিফালে ফুৰে,
তাহানিৰ দৰে গাবোৰ ডেকাই
বেণু কাঁড় লই ঘূৰে,

তাহানিৰ দৰে নিজৰা ৰূপহী
ঘূৰে সুখ গীত গাই,
সংস্কা লেটাৰ দেখাদেখি আৰু
নতুন নতুন হায়।

অন্ত।

আমলকী ।

শ্রীযুক্ত [illegible] দেব অধিকারী প্রণীত

বেণু	...	[illegible]
কবিতা-লহরী	...	[illegible]
গীতি-মালিকা	...	[illegible]
সাধু-চরিত	...	[illegible]
সাবিত্রী	...	[illegible]
[illegible] ১ম খণ্ড [illegible]	...	[illegible]
[illegible] দ্বিতীয় খণ্ড	...	[illegible]

[illegible]